**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 10-09-2026 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। কেন্দ্ৰীয় কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰী শিৱৰাজ সিং চৌহানে মালয়েছিয়া, টাইম'ৰ লেছটে আৰু ম্যানমাৰৰ কৃষি মন্ত্ৰীকেইগৰাকীৰ সৈতে দ্বিপাক্ষিক বৈঠকত মিলিত হয়।

২। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে কলম্বোত শ্ৰীলংকাৰ প্ৰধানমন্ত্ৰী ড° হৰিণি অমৰসূৰ্যক সাক্ষাৎ কৰে।

৩। মিজোৰাম চৰকাৰে ৰাজ্যখনত এখন ই এছ আই চি আৰু ক্ৰীড়া আন্তঃগাঁথনিৰ বাবে পুঁজি আৱণ্টন বৃদ্ধি কৰিবলৈ কেন্দ্ৰীয় চৰকাৰক আহ্বান জনাইছে।

৪। আত্মহত্যা প্ৰতিৰোধ আৰু মানসিক স্বাস্থ্যৰ বিষয়ে সজাগতা সৃষ্টিৰ উদ্দেশ্যে আজি বিশ্ব আত্মহত্যা প্ৰতিৰোধ দিৱস পালন কৰা হৈছে।

আৰু

৫। ইউ এছ অ'পেন টেনিছ প্ৰতিযোগিতাৰ পুৰুষৰ ছিংগলছ্‌ৰ ছেমি ফাইনেলত আমেৰিকা যুক্তৰাষ্ট্ৰৰ বেন ছেল্টন, একাদশ বাছনিপ্ৰাপ্ত নিজ দেশৰে ফ্ৰান্সিছ টিয়াফ'ৰ সন্মুখীন হ'ব।

০০০০০০০

কেন্দ্ৰীয় কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰী শিৱৰাজ সিং চৌহানে মালয়েছিয়া, টাইম'ৰ লেছটে আৰু ম্যানমাৰৰ কৃষি মন্ত্ৰীকেইগৰাকীৰ সৈতে উচ্চ পৰ্যায়ৰ দ্বিপাক্ষিক বৈঠকত মিলিত হয়। নতুন দিল্লীত আয়োজিত কৃষি আৰু বনানিকৰণ সম্পৰ্কীয় নৱম ভাৰত-আছিয়ান মন্ত্ৰীপৰ্যায়ৰ বৈঠকত অংশ লোৱাৰ সমান্তৰালকৈ কালি এই বৈঠক অনুষ্ঠিত হয়। মন্ত্ৰীগৰাকীয়ে মালয়েছিয়াৰ কৃষি আৰু খাদ্য সুৰক্ষা মন্ত্ৰী মহম্মদ বিন ছাবুৰ সৈতে হোৱা আলোচনাকালত পাৰস্পৰিক জ্ঞান, দক্ষতা আৰু উত্তম পদ্ধতিসমূহৰ বিনিময়ৰ ওপৰত গুৰুত্ব আৰোপ কৰে। তেওঁ লগতে যুটীয়া কৃষি গৱেষণা, প্ৰযুক্তি আৰু উদ্ভাৱনৰ সৰলীকৰণৰ বাবেও আগ্ৰহ প্ৰকাশ কৰে। এই বৈঠকত দুয়োগৰাকী মন্ত্ৰীয়ে জিনিষ সম্পদৰ আদান-প্ৰদান, বাণিজ্য, বজাৰৰ লভ্যতাকে ধৰি কেইবাটাও দ্বিপাক্ষিক বিষয়ত সহযোগিতা বৃদ্ধি আৰু অংশীদাৰিত্ব শক্তিশালী কৰা সন্দৰ্ভত আলোচনা কৰে। টাইম'ৰ লেছটেৰ কৃষিমন্ত্ৰী মাৰ্কোছ ডা ক্ৰুজে কৃষি আৰু খাদ্য সুৰক্ষাৰ ক্ষেত্ৰত দেখা দিয়া বিভিন্ন প্ৰত্যাহ্বান দূৰ কৰাৰ বাবে দুয়ো দেশৰ শক্তিশালী প্ৰতিষ্ঠানগত ব্যৱস্থা গঢ়ি তোলাৰ বাবে আগ্ৰহ প্ৰকাশ কৰে। শ্ৰীচৌহানে টাইম'ৰ লেছটেৰ সৈতে কৃষি গৱেষণা আৰু উদ্ভাৱন সামৰ্থ বৃদ্ধিৰ ক্ষেত্ৰত বিজ্ঞানী, বিশেষজ্ঞ আৰু মানৱ সম্পদৰ লগতে উত্তম পদ্ধতিসমূহৰ বিনিময়ৰ বাবে চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ বুলি জানিবলৈ দিয়ে। শ্ৰীচৌহানে ম্যানমাৰৰ কৃষিমন্ত্ৰী মিন নাওঙৰ সৈতে এখন বৈঠকত মিলিত হয়। এই আলোচনাকালত শ্ৰীচৌহানে দেশখনৰ সৈতে কৃষি সম্পৰ্কীয় বুজাবুজিৰ চুক্তি ৰূপায়ণৰ চূড়ান্ত পৰ্যায়ত উপনীত হৈছে বুলি জানিবলৈ দিয়ে। দুয়োগৰাকী নেতাই কৃষিজাত সামগ্ৰী যেনে দাইল, কঁপাহৰ উপৰি দুগ্ধ উন্নয়ন আৰু কৃষি শিক্ষাৰ ক্ষেত্ৰত পাৰস্পৰিক সহায়ক লৈ সহমত প্ৰকাশ কৰে।

০০০০০০

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে কালি কলম্বোত শ্ৰীলংকাৰ প্ৰধানমন্ত্ৰী ড° হৰিণি অমৰসূৰ্যক সাক্ষাৎ কৰে। দুয়োগৰাকী নেতাই উন্নয়নমূলক সহযোগিতাকে ধৰি বিভিন্ন বিষয় লৈ আলোচনা কৰে। বৈঠকত শিক্ষা, তথ্য-প্ৰযুক্তি, আন্তঃগাঁথনি, উদ্ভাৱন আৰু গৱেষণাকে ধৰি পাৰস্পৰিক স্বাৰ্থজড়িত বিভিন্ন বিষয়ৰ পৰ্যালোচনা কৰা হয়। দুয়োগৰাকী নেতাই ভাৰত আৰু শ্ৰীলংকাৰ মাজত প্ৰাচীন কালৰেপৰা থকা সভ্যতাজনিত সম্পৰ্কৰ বিষয়ে আলোচনা কৰে আৰু জনসাধাৰণৰ সম্পৰ্কই এই বান্ধোন অধিক কটকটীয়া কৰা বুলি মত পোষণ কৰে।

বৈঠকত প্ৰতিৰক্ষা মন্ত্ৰী শ্ৰী সিঙে কয়, যে উমৈহতীয়া ঐতিহ্যৰ বাবে ভাৰত আৰু শ্ৰীলংকাই অঞ্চলটোৰ শান্তি-সমৃদ্ধি আৰু জনসাধাৰণৰ কল্যাণৰ বাবে কাম অব্যাহত ৰখা উচিত। সামৰ্থ্য বৃদ্ধি দেশ দুখনৰ মাজৰ দ্বিপাক্ষিক সম্পৰ্কৰ গুৰুত্বপূৰ্ণ স্তম্ভ বুলি তেওঁ মন্তব্য কৰে। তেওঁ লগতে ডঃ হৰিণি অমৰসূৰ্যক শ্ৰীলংকা আৰু ভাৰত উভয় দেশৰ মহিলাৰ বাবে আদৰ্শ আৰু মহিলা সৱলীকৰণৰ প্ৰতীক বুলি অভিহিত কৰে। তেওঁ কয়, যে প্ৰশাসন আৰু নেতৃত্বৰ ক্ষেত্ৰত মহিলাৰ অংশগ্ৰহণ বৃদ্ধি কৰাৰ উদ্দেশ্যে ভাৰতীয় সাংস্কৃতিক সম্পৰ্ক পৰিষদ আৰু অন্য চৰকাৰী উদ্যমৰ অধীনত জলপানি লাভৰ বাবে চুবুৰীয়া ৰাষ্ট্ৰখনৰ মহিলাসকলক ভাৰতে উৎসাহিত কৰি যাব।

০০০০০০০

মিজোৰাম চৰকাৰে ৰাজ্যখনত এখন কৰ্মচাৰী বীমা নিগম চিকিৎসালয়– ই এছ আই চি আৰু ক্ৰীড়া আন্তঃগাঁথনিৰ বাবে পুঁজি আবণ্টন বৃদ্ধি কৰিবলৈ কেন্দ্ৰীয় চৰকাৰক আহ্বান জনাইছে। ৰাজ্যৰ শ্ৰম মন্ত্ৰী লালিংল'ভা মা'ৰে কেন্দ্ৰীয় শ্ৰম আৰু ক্ৰীড়া মন্ত্ৰী মনসুখ মন্দাভিয়াক নতুন দিল্লীত সাক্ষাৎ কৰি এই বিষয়ে অৱগত কৰে। তেওঁ লগতে কেন্দ্ৰীয় মন্ত্ৰীগৰাকীক মিজোৰামত শ্ৰমিক কল্যাণৰ বাবে গ্ৰহণ কৰা ব্যৱস্থাসমূহৰ বিষয়ে জানিবলৈ দিয়ে। তেওঁ কয়, যে শ্ৰমিক কল্যাণ ব'ৰ্ডৰ অধীনত মিজোৰামত গৃহ নিৰ্মাণ আৰু অন্যান্য আন্তঃগাঁথনি নিৰ্মাণ বৃদ্ধি পাইছে। শ্ৰম মন্ত্ৰীগৰাকীয়ে লগতে এখন ই এছ আই চি চিকিৎসালয় স্থাপনেৰে ৰাজ্যবাসীক উপকৃত কৰিবলৈ আহ্বান জনায়। তেওঁ মিজোৰামৰ বিশেষ প্ৰয়োজনসমূহৰ কথা অনুধাৱন কৰি ই এছ আই চি-ৰ পঞ্জীয়নৰ ক্ষেত্ৰত হোৱা অগ্ৰগতি চালিজাৰি চাবলৈও মন্ত্ৰীগৰাকীক আহ্বান জনায়। কেন্দ্ৰীয় মন্ত্ৰী মন্দাভিয়াই মিজোৰামৰ শ্ৰম মন্ত্ৰীগৰাকীৰ এই আহ্বান, বিবেচনা কৰা হ'ব বুলি আশ্বাস দিয়ে। মিজোৰামৰ মন্ত্ৰীগৰাকীয়ে লগতে খেলো ইণ্ডিয়া কাৰ্যসূচীৰ অধীনত ৰাজ্যখনত ক্ৰীড়া আন্তঃগাঁথনিৰ বাবে কেন্দ্ৰীয় সাহায্য বৃদ্ধি কৰিবলৈ আহ্বান জনায়। শ্ৰীমন্দাভিয়াই এই বিষয়টো বিবেচনা কৰা হ'ব বুলি আশ্বাস দিয়ে।

০০০০০০০

আজি বিশ্ব আত্মহত্যা প্ৰতিৰোধ দিৱস। আত্মহত্যা প্ৰতিৰোধ আৰু মানসিক স্বাস্থ্যৰ বিষয়ে সজাগতা সৃষ্টিৰ উদ্দেশ্যে প্ৰতিবছৰে ১০ ছেপ্তেম্বৰত এই দিৱস পালন কৰা হয়। এই দিৱসে মানসিক পীড়া অথবা জটিল পৰিস্থিতিৰ সন্মুখীন হোৱা লোকক সময়মতে সহায়-সহযোগিতা আৰু যথোচিত পৰিচৰ্যাৰ প্ৰয়োজনৰ বিষয়ে সোঁৱৰাই দিয়ে। এনে লোকৰ কথা কোনোধৰণৰ পূৰ্ব ধাৰণা অবিহনে ধৈৰ্য সহকাৰে শুনি তেওঁলোকক সহায়-সমৰ্থন ল'বলৈ উৎসাহিত কৰিব পৰা যায় বুলি বিশেষজ্ঞসকলে মত পোষণ কৰে। এই দিৱসত জনসাধাৰণক চৌপাশৰ লোকৰ আৱেগিক কল্যাণৰ প্ৰতি সজাগ হৈ থাকিবলৈ আৰু প্ৰয়োজন হ'লে তেওঁলোকক পৰিয়াল সদস্য, বিশ্বাসী ব্যক্তি অথবা মানসিক স্বাস্থ্য বিশেষজ্ঞৰ পৰামৰ্শ ল'বলৈ উৎসাহিত কৰিবলৈ আহ্বান জনোৱা হয়। এই বছৰ আত্মহত্যা প্ৰতিৰোধ দিৱসৰ মূল বিষয়বস্তু হৈছে – 'আত্মহত্যাৰ ধাৰণাৰ পৰিৱৰ্তন'। নিজক হত্যা কৰিবলৈ ইচ্ছা কৰা, আত্মহননৰ প্ৰস্তুতি বা পৰিকল্পনাৰ বিষয়ে আলোচনা অত্যধিক অপৰাধবোধ, সামাজিক মাধ্যমযোগে আত্মহননৰ ইচ্ছা প্ৰকাশ কৰা বা অহৰহ নিৰাশাবাদী মতামত প্ৰকাশ কৰা, আগতে উপভোগ কৰা কাম-কাজৰ প্ৰতি তীব্ৰ অনিহা আদি আত্মহত্যা প্ৰৱণতাৰ লক্ষণ হ'ব পাৰে।

০০০০০০০

আসন্ন উৎসৱৰ সময়ছোৱাত যাত্ৰীসকলৰ সুবিধা বৃদ্ধিৰ লগতে অতিৰিক্ত যাত্ৰীৰ ভিৰ নিয়ন্ত্ৰণ কৰাৰ উদ্দেশ্যে উত্তৰ-পূব সীমান্ত ৰে'লৱেই চাৰিখন অতিৰিক্ত বিশেষ ৰে'লৰ সেৱা সম্প্ৰসাৰণৰ  সিদ্ধান্ত লৈছে। ০৪০০৮ আৰু ০৪০০৭ নম্বৰৰ আনন্দ বিহাৰ-যোগবণী উৎসৱ বিশেষ এক্সপ্ৰেছ ৰে'লগাড়ীখন ১০ অক্টোবৰৰ পৰা ৮ নৱেম্বৰলৈ ৫ বাৰকৈ অহা-যোৱা কৰিব। ০৮০৪৭/০৮০৪৮ নম্বৰৰ সন্ত্ৰাগাছী জংচন-নাহৰলগুন বিশেষ ৰে'লগাড়ীখনৰ যাত্ৰা ১১ ৰ পৰা ২৬ ছেপ্তেম্বৰলৈ ছবাৰ সম্প্ৰসাৰিত কৰা হৈছে।  যাত্ৰীসকলৰ সুবিধাৰ বাবে ৰে'ল দুখনত দবাৰ সংখ্যাও বৃদ্ধি কৰা হৈছে। উৎসৱৰ লগত সংগতি ৰাখি ৰে'লসমূহৰ ষ্টপেজ আৰু সময়সূচীৰ বিস্তৃত বিৱৰণ উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ সামাজিক মাধ্যমত আৰু আই আৰ চি টিৰ ৱেবচাইটযোগে প্ৰকাশ কৰা  হৈছে।

০০০০০০০

টাইম’ৰ লেছটেৰ ডিলীত অনুষ্ঠিত বিশ্ব স্বাস্থ্য সংস্থাৰ দক্ষিণ-পূব এছিয়াৰ আঞ্চলিক সমিতিৰ ৭৯ সংখ্যক অধিৱেশনত অংশ লোৱাৰ সময়তে বিশ্ব স্বাস্থ্য সংস্থাৰ সঞ্চালক প্ৰধান ড০ টেড্ৰ’ছ্ আধনম ঘেব্ৰিয়েছেছে কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰী জে পি নাড্ডাক সাক্ষাৎ কৰে। ড০ টেড্ৰ’ছে ভাৰতক মাতৃ আৰু শিশুৰ স্বাস্থ্য আৰু অসংক্ৰামক ৰোগ প্ৰতিৰোধৰ ক্ষেত্ৰত লাভ কৰা সফলতাকে ধৰি স্বাস্থ্য খণ্ডত হোৱা গুৰুত্বপূৰ্ণ অগ্ৰগতিৰ বাবে অভিনন্দন জ্ঞাপন কৰে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত বিশ্ব স্বাস্থ্য সংস্থাৰ সঞ্চালক প্ৰধানগৰাকীয়ে কয়, যে এক লাখ ৬০ হাজাৰ আয়ুষ্মান আৰোগ্য মন্দিৰৰ জৰিয়তে ভাৰতে উচ্চ ৰক্তচাপ, মধুমেহ আৰু কৰ্কট ৰোগৰ পৰীক্ষা-নিৰীক্ষা সাধাৰণ ৰাইজৰ বাবে সুচল কৰি তুলিছে। দেশৰ আশাকৰ্মীসকল মাতৃ আৰু গৰ্ভাৱস্থাৰ পৰা শিশু আৰু কৈশোৰ অৱস্থালৈকে স্বাস্থ্য আৰু যতনৰ ক্ষেত্ৰত আগবঢ়োৱা সহযোগিতাৰ অন্যতম নিৰ্দশন হিচাপে পৰিগণিত হৈছে। তদুপৰি প্ৰতিষেধক প্ৰদান আৰু স্বাস্থ্য প্ৰতিষ্ঠানত হোৱা প্ৰসৱ পূৰ্বৰ ৭৮ শতাংশৰ পৰা ৯৩ শতাংশলৈ বৃদ্ধি পোৱাৰ লগে লগে মাতৃ আৰু শিশুৰ মৃত্যুৰ হাৰ হ্ৰাস পাইছে বুলি তেওঁ কয়। একেদৰে যক্ষ্মা ৰোগৰ নিবাৰণকে ধৰি কেইবাটাও বিষয়ত ভাৰত শক্তিশালী স্থিতিত উপনীত হৈছে বুলিও তেওঁ উল্লেখ কৰে।

০০০০০০০

ইউ এছ অ’পেন টেনিছ প্ৰতিযোগিতাৰ পুৰুষৰ ছিংগল্‌ছৰ ছেমি ফাইনেলত আমেৰিকা যুক্তৰাষ্ট্ৰৰ বেন ছেল্‌টন, একাদশ বাছনিপ্ৰাপ্ত নিজ দেশৰে ফ্ৰান্সিছ টিয়াফ’ৰ সন্মুখীন হ’ব। অষ্টম বাছনিপ্ৰাপ্ত ছেল্‌টনে কালি এখন ৰোমাঞ্চকৰ কোৱাৰ্টাৰ ফাইনেলত যোৱাবাৰৰ চেম্পিয়ন কাৰ্লছ্ অল্কাৰাজক ৬-৭, ৬-১, ৬-৩, ১-৬, ৭-৬ ছেটত পৰাস্ত কৰে। একেদৰে টিয়াফ’ই আমেৰিকাৰে আন এগৰাকী খেলুৱৈ এলেক্স মিছেলচনক পৰাভূত কৰি ছেমি ফাইনেলত স্থান নিশ্চিত কৰে। ইপিনে, মহিলাৰ ছিংগলছৰ ছেমি ফাইনেলত কাইলৈ যোৱাবাৰৰ চেম্পিয়ন আৰ্য্নিা ছাবালেংকা তৃতীয় বাছনিপ্ৰাপ্ত জেচিকা পেগুলাৰ বিৰুদ্ধে অৱতীৰ্ণ হ’ব। একেদৰে, চতুৰ্থ বাছনিপ্ৰাপ্ত ক’কো গফ কাজাখস্তানৰ এলেনা ৰায়বাকিনাৰ  সন্মুখীন হ’ব।

ছাবালেংকাই কোৱাৰ্টাৰ ফাইনেলত ষষ্ঠ বাছনিপ্ৰাপ্ত চেক গণৰাজ্যৰ লিণ্ডা নস্কোভাক পৰাস্ত কৰাৰ বিপৰীতে আমেৰিকাৰ জেছিকা পেগুলাই স্বদেশৰে এন্মা নাভাৰ’ক পৰাভূত কৰি ছেমি ফাইনেলত স্থান নিশ্চিত কৰে। একেদৰে ক’ক’ গ’ফে পঞ্চম বাছনিপ্ৰাপ্ত ৰাছিয়াৰ মিৰা এণ্ড্ৰিভাক আৰু দ্বিতীয় বাছনিপ্ৰাপ্ত কাজাখস্তানৰ এলেনা ৰায়বাকিনাই চীনৰ কিনৱেন ঝেঙক পৰাস্ত কৰি ছেমি ফাইনেলত প্ৰৱেশ কৰিছে।

০০০০০০০

সমাপ্ত